**01-07-2026** প্ৰাতঃমুৰুলী ওঁম্ শান্তি**!** "বাপদাদা" মধুবন।

**"মৰমৰ সন্তানসকল – গোটেই জগতক শান্তি প্ৰদান কৰাতো একমাত্ৰ পিতাৰহে কাম, সেইবাবে কয় - হে শান্তিদাতা, গতিকে পুৰস্কাৰো পিতাই পোৱা উচিত"**

প্ৰশ্ন: কোনসকল সন্তানে পিতাক পূৰা পূৰা অনুসৰণ কৰিব পাৰে?

উত্তৰ: 1) যিসকল পিতাৰ সমান পাৱন হয় – তেওঁলোকে পূৰা পূৰা অনুসৰণ কৰিব পাৰে। 2) যিসকল দৃঢ় প্ৰেমিকা তেওঁলোকেই মোক প্ৰেমিকক অনুসৰণ কৰিব পাৰে। এনেকুৱা প্ৰেমিকাসকলকহে মই লগত লৈ যাওঁ। সেইবাবে শাস্ত্ৰত দেখুৱায় – গৰুৰ নেজত ধৰিলে পাৰ হৈ যাব। এতিয়া ইয়াত গৰু বা নেজৰতো কথাই নাই।

গীত: তু প্যাৰ কা সাগৰ হে…. (তুমি প্ৰেমৰ সাগৰ….)

ওঁম্ শান্তি। বাপদাদা দুয়োজনেই আছে নহয়। এতিয়া এয়াতো সন্তানসকলে জানে যে আত্মাসকলৰ পিতা হৈছে শিৱবাবা। এয়াও তোমালোকে জানা যে মই পতিত-পাৱন, মই নিৰাকাৰ। তোমালোকো নিৰাকাৰ, শান্ত স্বৰূপ হোৱা। নিৰাকাৰ পিতাও শান্ত স্বৰূপ, আত্মাও শান্ত স্বৰূপ। আত্মাৰ স্বধৰ্ম হয়েই শান্তি। তোমালোকৰ নিবাসস্থান হ'ল – শান্তিধাম। যেতিয়া যজ্ঞ আদি ৰচে তেতিয়া কয় – শান্তিদাতা কিয়নো শান্তিৰ সাগৰতো তেওঁ পৰমাত্মা। সেইজন পিতা হৈছে গোটেই জগতকে শান্তি দিওঁতা। এনেকুৱা বহুত আছে যিসকলে শান্তি প্ৰতিষ্ঠাৰ বাবে পুৰস্কাৰ পায়। কেতিয়াবা কোনোবাই পুৰস্কাৰ পালে তেতিয়া কয় এওঁ শান্তি প্ৰতিষ্ঠা কৰাৰ নিমিত্ত হৈছে। এই ক্ষেত্ৰত ডাঙৰ ডাঙৰসকলৰ নাম লয়। এতিয়াতো গোটেই জগততে শান্তি লাগে। নহ'লে অশান্তিত থকাসকলে আনকো অশান্ত কৰিব। এয়া হয়েই ৰাৱণৰাজ্য। ৰাৱণ শক্ৰ হয় নহয়, ৰামক শক্ৰ বুলি নকয়। ৰামৰ প্ৰতিকৃতি কেতিয়াও নজ্বলায়। ত্ৰেতাৰ ৰামৰো নজ্বলায়, পৰমপিতা পৰমাত্মাৰো নজ্বলায়। ৰামৰাজ্যতো সকলোৱে বিচাৰে, কিন্তু ৰামৰাজ্য কাক কোৱা হয়, এয়াও কোনেও নাজানে। কেৱল কয়, নতুন বিশ্ব হওক, নতুন দিল্লীত ৰামৰাজ্য হওক। নতুন দিল্লী বুলি কয়, নামতো বহুত ৰখা হয়। দিল্লী সকলোৰে ৰাজধানী। দিল্লীহে পৰিস্থান আছিল। ৰাধা-কৃষ্ণকো তাতেই দেখুৱায়। এই দুয়োগৰাকীয়েই মুখ্য ৰাজকুমাৰ আৰু ৰাজকুমাৰী। কেৱল দুয়োগৰাকীয়েই নহয় নিশ্চয় আৰু থাকিব। 8 (আঠ) ৰাজবংশ বুলি গায়ন কৰা হয়, বুদ্ধিৰে বুজিব লাগে। সত্যযুগত নিশ্চয় আৰু ৰাজবংশ থাকিব। ইয়াতো চোৱা কিমান ৰাজবংশ, বৃদ্ধি হৈ হৈ অনেক হৈ যায়। অমুক অমুক গাঁৱৰ মহাৰজা, সৰু সৰু গাঁৱো বহুত আছে নহয় জানো। সত্যযুগত ইমান জানো আছিল। তাত লক্ষ্মী-নাৰায়ণৰে নাম প্ৰসিদ্ধ হয়। 2500 বছৰ তেওঁলোকৰ ৰাজত্ব চলে। মনুষ্যই কয় – লাখ লাখ বছৰ হ'ল, বিচাৰ কৰিবলগীয়া কথা। এয়া হ'ল আত্মাৰ বাবে ভোজন। পিতাই তোমালোকৰ বুদ্ধিক, আত্মাক এই আত্মিক ভোজন দিয়ে। তোমালোকৰ বুদ্ধিৰ তলা এতিয়া খুলিছে। ঋষি-মুনি আদি সকলোৱে কৈছিল – আমি ৰচয়িতা আৰু ৰচনাক নাজানোঁ। এতিয়া তোমালোক সন্তানসকলে এনেকৈ নোকোৱা। তোমালোকেতো ৰচয়িতা আৰু ৰচনাৰ আদি-মধ্য-অন্তক জানা। তোমালোকে নিজৰ 84 চক্ৰক জানি গৈছা। আদিত তোমালোক দেৱী-দেৱতা আছিলা। আকৌ মধ্যত ৰাৱণৰ প্ৰৱেশতা হোৱাৰ বাবে বিকাৰী হৈ গৈছা। এতিয়া হ'ল অন্ত। তোমালোকে জানা এতিয়া পুৰণি সৃষ্টিৰ বিনাশ হৈ আকৌ আদি হ'ব। আদিত হ'ব ৰামৰাজ্য। মধ্যৰপৰা ৰাৱণৰাজ্য আৰম্ভ হয়। এতিয়া ৰাৱণৰাজ্য পূৰা হৈ আকৌ ৰামৰাজ্য আৰম্ভ হ'ব। নৰৰ পৰা নাৰায়ণ হ'ব লাগে নহয়। এয়া হ'ল সত্য নাৰায়ণৰ কথা। তোমালোকে জানা – সকলো শাস্ত্ৰৰ শিৰোমণি শ্ৰীমত গীতা। শ্ৰীমত পোৱা যায় শ্ৰেষ্ঠ হ'বৰ বাবে। 'শ্ৰী' বুলি কোৱা হয় শ্ৰেষ্ঠজনক। সন্তানসকলে জানে – এখন 'গীতা' শাস্ত্ৰ আছে যাক দেৱী-দেৱতা ধৰ্মৰ শাস্ত্ৰ বুলি কোৱা হয়, যাৰ দ্বাৰা সংগমত দেৱতা ধৰ্ম প্ৰতিষ্ঠা হয়। সত্যযুগততো কোনেও পতিত নহয় যাক পাৱন কৰিব। এতিয়া

তোমালোকক পিতাই বুজায় – ‘গীতা’ক পতিত-পাৱনী বুলি ক’ব নোৱাৰি। ‘গীতা’ৰ দ্বাৰা পাৱন হ’ব নোৱাৰে। ‘গীতা’ৰ ভগৱানক পতিত-পাৱন বুলি কয়। এইটো ভালদৰে স্মৃতিত ৰাখা। ‘গীতা’ হ’ল আদি সনাতন দেৱী-দেৱতা ধৰ্মৰ শাস্ত্ৰ। ‘গীতা’ৰ সময়তে ভয়ানক মহাভাৰতৰ যুদ্ধ লাগিছিল, যাৰ দ্বাৰা অনেক ধৰ্মৰ বিনাশ হ’ল আৰু এক ধৰ্ম প্ৰতিষ্ঠা হ’ল। ‘গীতা’ৰ কাৰণে কয় – দেৱী-দেৱতা ধৰ্মৰ শাস্ত্ৰ। ব্ৰাহ্মণৰ শাস্ত্ৰ বুলি নকয়। ব্ৰাহ্মণৰ নাম ‘গীতা’ত নাই। পৰমপিতা পৰমাত্মাহে আহি ব্ৰহ্মাৰ দ্বাৰা এই সকলো বেদ শাস্ত্ৰ আদিৰ সাৰমৰ্ম শুনায়। এতিয়া তোমালোকে বুজি পোৱা – সত্যযুগততো ব্ৰাহ্মণ নাথাকে। তাত থাকে লক্ষ্মী-নাৰায়ণ, দেৱতাসকল, ব্ৰহ্মাৰ পাছত হৈছে বিষ্ণু। চিত্ৰবোৰতো দেখুৱাইছে – ব্ৰহ্মাৰ দ্বাৰা বিষ্ণুপুৰীৰ স্থাপনা। ব্ৰহ্মা আৰু বিষ্ণু একেলগেতো নাথাকিব। ব্ৰহ্মাৰ দ্বাৰা দেৱী-দেৱতা ধৰ্ম প্ৰতিষ্ঠা হ’ব। এইবোৰ বিস্তাৰত বুজিবলগীয়া কথা। এতিয়া তোমালোক সন্তানসকলে শিৱবাবাৰ পৰা স্বৰ্গৰ উত্তৰাধিকাৰ লোৱা। অধিকাৰী হ’লা নহয়! মুখ্য ধৰ্মশাস্ত্ৰ হ’ল 4 খন, শ্ৰীমদ্ভাগৱত গীতা হ’ল প্ৰথম নম্বৰৰ শাস্ত্ৰ, যাৰ দ্বাৰা প্ৰথম নম্বৰৰ ধৰ্মৰ প্ৰতিষ্ঠা হয়। তাৰপাছত হয় ইছলাম, বৌদ্ধ। একমাত্ৰ ‘গীতা’ই হয় – য’ত শ্ৰীমদ্ভাগৱত গীতা বুলি লিখা আছে আৰু কোনো শাস্ত্ৰত শ্ৰীমত নাই। শ্ৰীমত ইছলাম বা শ্ৰীমত বৌদ্ধ শাস্ত্ৰ বুলি গায়ন কৰা নহয়। শ্ৰীমদ্ভাগৱত গীতা হয়েই এখন। তাৰ দ্বাৰা কোনটো ধৰ্ম প্ৰতিষ্ঠা কৰিলে? আদি সনাতন দেৱী-দেৱতা ধৰ্মৰ প্ৰতিষ্ঠা হ’ল আৰু প্ৰতিষ্ঠা হয় অন্তত। এয়া বুজিবলগীয়া কথা। এতিয়া বাবাই আমাক শিক্ষকৰ ৰূপত পঢ়ায় - এয়া বুদ্ধিত থকা উচিত। বাবা আমাৰ পিতা হয় আৰু শিক্ষকো হয়। বাবাই পঢ়াৰ দ্বাৰা সকলোৰে সৎগতি কৰে গতিকে সৎগুৰুও হ’ল। পিতাক সকলোৱে স্মৰণ কৰে। এতিয়া ‘গীতা’ত শ্ৰীকৃষ্ণৰ নাম লিখি দিলে। তেওঁতো জ্ঞানৰ সাগৰ নহয়। তেওঁক জ্ঞানৰ সাগৰ পিতাই এনেকুৱা কৰি গঢ়ি তুলিলে গতিকে তেওঁ শিক্ষকো হয়। ইয়াত তোমালোকে নতুন কথা শুনা, শাস্ত্ৰ আদিতো বহুত পঢ়ি শুনি আহিছা। এতিয়া তোমালোকে পিতাৰ দ্বাৰা পোনপটীয়াকৈ শুনা। আগতে সকলো শৰীৰধাৰী মনুষ্যৰদ্বাৰা শুনিছিলা। এতিয়া তোমালোকে বুজি পোৱা - আমি আত্মাসকল প্ৰকৃততে অশৰীৰী আছিলোঁ। পাছত আকৌ শৰীৰ ধাৰণ কৰিছোঁ। বাবাও অশৰীৰী। শিৱলিঙ্গ সাজে নহয়। আত্মাই শৰীৰৰ দ্বাৰা তেওঁক পূজা কৰে। কাতৰে আহ্বানো জনায় - হে পৰমপিতা পৰমাত্মা আহি আমাক পতিতসকলক পাৱন কৰি তোলা। লিঙ্গৰ পূজা কৰে কিন্তু এইটো বুজি পায় জানো যে পতিত-পাৱন পিতা হয়, যাক আমি আহ্বান কৰোঁ। শিৱ ভগৱান হয়, ঈশ্বৰ হয়। বচ্ এনেকৈয়ে স্মৰণ কৰে। তেওঁক ‘বাবা’ বুলি ক’লে তেতিয়া বুদ্ধিত উদয় হ’ব যে বাবাৰ পৰা উত্তৰাধিকাৰ পোৱা উচিত। আমি উত্তৰাধিকাৰ পাইছোঁ সেইবাবেতো পূজা কৰোঁ। ভাৰতবাসীয়ে উত্তৰাধিকাৰ নিশ্চয় পাইছে। কেতিয়া পালে, এইটো পাহৰি গৈছে। এতিয়া তোমালোক সন্তানসকলে বুজি পোৱা, সন্তানসকলে কয় – আমি বাবাৰ ওচৰলৈ আহিছোঁ। শিৱবাবাই ব্ৰহ্মাৰ শৰীৰত আহি বুজায়। ত্ৰিমূৰ্তিৰ নাম প্ৰসিদ্ধ। ‘ত্ৰিমূৰ্তি মাৰ্গ’ নামো ৰাখিছে। পিতাৰ মহিমা বহুত। গীতটিতো শুনিলা – প্ৰেমৰ সাগৰ হয়..., সকলোৰে সৎগতিদাতা হয়। সকলোকে সুখ-শান্তি দিওঁতা হয়। সকলোৰে দুখ হৰ্তা, সুখ কৰ্তা হয়। বহুত মৰমৰ হয় নহয়। তেওঁতকৈ মৰমৰ বস্তু আন একো নাই। যিজন পিতাই স্বৰ্গৰ মালিক কৰি তোলে, তেওঁ নিশ্চয় মৰমৰ হ’ব নহয়। তেওঁ হ’ল বেহদৰ পিতা। তেওঁ কয় – সন্তানসকল মোৰ পৰা স্বৰ্গৰ বাদশ্বাহী পোৱা নহয়। তোমালোক আত্মা ভাই ভাই হোৱা। এতিয়া পিতাৰ পৰা শুনি আছা। সকলো আত্মাই পিতাক স্মৰণ কৰে, বাবা আহি আমাক পাৱন কৰি তোলা। এতিয়া আত্মাই কয় – বাবা আহিছে পাৱন কৰি তুলিবলৈ। তেওঁ কয় – সন্তানসকল, 5 হাজাৰ বছৰ পূৰ্বে তোমালোকক পাৱন কৰি তুলিবলৈ আহিছিলোঁ। এতিয়া মোক পিতাক স্মৰণ কৰা তেতিয়া তোমালোকৰ বিকৰ্ম বিনাশ হ’ব আৰু তোমালোকৰ সকলো দুখ দূৰ হৈ যাব। আহ্বানো জনায় – পতিত-পাৱন আহা অথবা তালি বজাই থাকে, চিঞৰি থাকে পতিত-পাৱন সীতাৰাম... তেন্তে নিজে পতিত হ’ল নহয়। এয়া হয়েই নৰক, ইয়াক ৰৌৰৱ নৰক বুলি কোৱা হয়। গৰুড় পুৰাণততো মনেসজা কথা বহুত লিখি দিছে যে এয়া কৰিলে এয়া হ’বা, এয়া হ’ব... আকৌ কৈ দিয়ে – গৰুৰ নেজত ধৰিলে স্বৰ্গলৈ গুচি যাবা। এনেকুৱা কিবা-কিবি লিখা আছে। এতিয়া জীৱ-জন্তুৰতো কথা নহয়। তোমালোক গোমাতা হোৱা নহয়। তোমালোকৰ নেজ অথবা পিঠিত যেতিয়ালৈকে কোনেও নধৰে তেতিয়ালৈ ৰাস্তা পাব

নোৱাৰে। নেজতো নাই। এনেকৈ কয়ো – তোমালোকৰ নেজত ধৰি পাৰ হৈ যাম। এতিয়া ইয়াত নেজততো ধৰিব নালাগে, কিন্তু অনুসৰণ কৰিব লাগে। সন্ন্যাসীসকলৰ অনুগামীতো বহুত আছে কিন্তু অনুসৰণ কৰা মানে পৱিত্ৰ হোৱা। তোমালোকতো সঁচা অনুগামী হোৱা। শিৱবাবাই কয় – মই আহিছোঁ তোমালোক সকলোকে উভতাই লৈ যাবলৈ। তোমালোকে মোক স্মৰণ কৰা তেতিয়া তোমালোকৰ পাপ ভস্ম হৈ যাব। পাৱন নহ'লে অনুসৰণ কৰিব নোৱাৰিবা। শিৱবাবাক পূৰা অনুসৰণ কৰিব লাগে। তোমালোক ইয়াত বহি আছা – অনুসৰণ কৰিবৰ বাবে। ভক্তি মাৰ্গতো মোক স্মৰণ কৰি আহিছা। তোমালোকে জানা – আত্মাসকল হৈছে পৰমাত্মা প্ৰেমিকৰ প্ৰেমিকা। আত্মাসকলে তেওঁক স্মৰণ কৰে আৰু তেওঁ লৈ যাবলৈ আহিছে। তেওঁ কয় – মোক অনুসৰণ কৰা তেতিয়া তোমালোকক লগত লৈ যাম। কেনেকৈ অনুসৰণ কৰিবা সেয়াও বুজায় – মই পাৱন হওঁ, তোমালোক হৈছা পতিত। তেন্তে নিশ্চয় পাৱন হ'ব লাগে, নিশ্চয় অনুসৰণ কৰিব লাগে। বিকাৰীসকলেতো অনুসৰণ কৰিব নোৱাৰে। অনুসৰণ কৰিবলৈ মোৰ সমান পৱিত্ৰ হোৱা। মই জানো পতিতসকলক নিজৰ লগত শান্তিধামলৈ লৈ যাম! ইমান অনেক মনুষ্যই ভক্তি, তপ, দান-পুণ্য আদি কৰে - মুক্তি পাবলৈ, কিয়নো ইয়াত দুখ আছে আৰু বিচাৰে – আমি নিজৰ ঘৰলৈ উভতি যাওঁ। পিতাই কয় – পৱিত্ৰ নিশ্চয় হ'ব লাগিব। মই পাৱন হওঁ, সেইবাবেতো তোমালোকক পাৱন কৰি তোলোঁ। আহিমো ব্ৰহ্মাৰ শৰীৰত। মই ৰচয়িতা হওঁ, মই এই ব্ৰহ্মাৰ শৰীৰত আহোঁ। এনেকৈ দেখুৱায়ো যে ব্ৰহ্মাৰ দ্বাৰা পিতাই দেৱী-দেৱতা ধৰ্মৰ প্ৰতিষ্ঠা কৰে। তোমালোক হৈছা বী.কে.। এতিয়া জানা যে শিৱবাবাক অনুসৰণ কৰিব লাগে। পিতাই কয় – মোক স্মৰণ কৰা তেন্তে মই প্ৰতিজ্ঞা কৰিছোঁ – পাৱন সৃষ্টিলৈ লৈ যাম। আন কোনো উপায় নাই। এনেকৈ কয় – পতিত-পাৱন... হয়তো দৃষ্টি ওপৰলৈ যায় অথবা পানীৰ ফালে চায়। গংগাতো পতিত-পাৱনী নহয়। এয়াতো সাগৰৰ পৰা উৎপত্তি হোৱা নদী। এতিয়া নেজততো তোমালোকৰ ধৰা উচিত।

পিতাই কয় – তোমালোক পাৱন হ'ব লাগে, মোক অনুসৰণ কৰিব লাগে, তেতিয়াহে লগত যাব পাৰিবা। পিতাই কয় – তোমালোক মোৰ লগত আছিলা, এতিয়া 84 জন্মৰ চক্ৰ পৰিক্ৰমা লগাই পতিত হৈ গৈছা। এতিয়া পুনৰ মোক স্মৰণ কৰা তেতিয়া পাৱন হ'বা। সন্ন্যাসীসকলেও গৃহস্থীসকলক কয় – অনুসৰণ কৰিবলৈ হ'লে ঘৰ-সংসাৰ ত্যাগ কৰা। পিতাই কয় – মই পৰমধামত থাকোঁ, তোমালোকো যাবা নে ইয়াতেই বিষয় সাগৰত থাকিবলৈ ভাল লাগে। তোমালোকেতো আহ্বান কৰি আহিছা – হে পতিত-পাৱন আহা। এতিয়া পিতা আহিছে লগত লৈ যাবলৈ। কল্পই কল্পই আহি তোমালোকক লগত লৈ যাওঁ। আকৌ সত্যযুগত তোমালোক বহুত সুখী হৈ থাকা। এই লক্ষ্মী-নাৰায়ণ স্বৰ্গৰ মালিক আছিল নহয়। এওঁলোকক ইমান সুখ দিওঁতাজন কোন? স্বৰ্গীয় ঈশ্বৰ পিতা। পিতাই স্মৃতি সোঁৱৰাই দিয়ে – তোমালোকে মোৰ জয়ন্তী পালন কৰা। পৰমপিতা পৰমাত্মাৰ জয়ন্তী সকলো ভাৰতবাসীয়ে পালন কৰে। এয়া মোৰ জন্মভূমি। খ্ৰীষ্টানসকলে জানো মানিব। তেওঁলোকেতো যীশুখ্ৰীষ্টক মানিব। শিৱ জয়ন্তী ভাৰতবাসীয়ে পালন কৰে। এয়া সকলোৰে পতিত-পাৱন পিতাৰ জন্মভূমি। পিতা সকলোকে সুখ দিওঁতা হয়। সকলোকে মুক্তি দিওঁতা হয়। গতিকে ভাৰত কিমান উচ্চ।

পিতাই জানে – ড্ৰামা অনুসৰি মোৰ সন্তানসকল বহুত দুখী হৈ যায়, তেতিয়া উত্তৰাধিকাৰ দিবলৈ মই আহোঁ। পিতা হ'ল জ্ঞানৰ সাগৰ, সুখৰ সাগৰ… সন্তানসকলক উত্তৰাধিকাৰ দি আছে। তেওঁ কয় – মোক অনুসৰণ কৰা। এইটো জানা – আমি আত্মাসকল বিকাৰী হওঁ সেইবাবে শৰীৰো বিকাৰীয়ে হয়। সত্যযুগত আত্মা পৱিত্ৰ হয় সেয়েহে শৰীৰো পৱিত্ৰ পোৱা যায়। এতিয়া পিতাই কয় – সন্তানসকল পাৱন হোৱা। স্মৃতিৰেহে তমোপ্ৰধানৰ পৰা সতোপ্ৰধান হ'বা। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ

আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) পিতাৰ পৰা স্বৰ্গৰ উত্তৰাধিকাৰ ল'বলৈ "আমি আত্মা ভাই ভাই" – এইটো দৃঢ় কৰিব লাগে। বহুত মৰমেৰে চলিব লাগে। যেনেকৈ পিতা অতিকৈ মৰমৰ, এনেকুৱা মৰমিয়াল হ'ব লাগে।

(2) পিতাৰ সমান পাৱন হৈ পিতাক পূৰা পূৰা অনুসৰণ কৰিব লাগে। পিতাৰ লগত শান্তিধামলৈ উভতি যাবৰ কাৰণে পাৱন নিশ্চয় হ'ব লাগে।

বৰদান**:**

নিৰ্বল আত্মাসকলক শক্তিৰ প্ৰবাহ যোগান ধৰোঁতা জ্ঞান-দাতা তথা বৰদাতা হোৱা

বৰ্তমান সময়ত নিৰ্বল আত্মাসকলৰ ইমান শক্তি নাই যে জপিয়াব পাৰিব, তেওঁলোকক অতিৰিক্ত শক্তি প্ৰবাহৰ আৱশ্যক। সেয়েহে তোমালোক বিশেষ আত্মাসকলে নিজৰ মাজত বিশেষ শক্তি ধাৰণ কৰি তেওঁলোকক উচ্চলৈ জপিওৱাত সহায় কৰিব লাগে। ইয়াৰ বাবে জ্ঞান দাতাৰ লগতে শক্তিসমূহৰ বৰদাতা হোৱা। ৰচয়িতাৰ প্ৰভাৱ ৰচনাৰ ওপৰত পৰে সেইকাৰণে বৰদানী হৈ নিজৰ ৰচনাক সৰ্ব শক্তিৰ বৰদান দিয়া। এতিয়া এইটো সেৱাৰ আৱশ্যকতা আছে।

শ্লোগান**:** সাক্ষী হৈ সকলো খেল প্ৰত্যক্ষ কৰা তেতিয়া সুৰক্ষিত হৈও থাকিবা আৰু মজাও পাবা।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত **:** জ্বালাস্বৰূপ স্থিতিত থাকি শক্তিশালী স্মৃতিৰ অনুভৱ কৰা

তোমালোক মহান তপস্বী আত্মাসকলে জ্বালাৰূপ শক্তিশালী স্মৃতিৰে প্ৰাপ্তিৰ কিৰণসমূহৰ নিজে অনুভৱ কৰা আৰু আনকো অনুভৱ কৰোৱা। তোমালোকৰ তপস্বী স্বৰূপ হৈছে আনক কিবা দিয়াৰ স্বৰূপ। যেনেকৈ সূৰ্যই বিশ্বক কিৰণ দিয়ে আৰু অনেক বিনাশী প্ৰাপ্তিৰ অনুভৱ কৰায়, তেনেকৈ তোমালোকেও নিজৰ তপস্বী স্বৰূপৰ দ্বাৰা শান্তি আৰু শক্তিৰ কিৰণ বিলাই থাকা।

[বি:দ্ৰ: - প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ব বিদ্যালয়ৰ নিয়মীয়া বিদ্যাৰ্থীসকলৰ বাবে]